# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে বান্ধ নিৰ্মাণৰ ক্ষেত্ৰত ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীত পিয়াৰলেছৰ এখন চিকিৎসালয় উদ্বোধন কৰাৰ অন্তত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে চীন কৰ্তৃপক্ষৰ সৈতে বিষয়টো লৈ আলোচনা কৰিছে বা কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ব্ৰহ্মপুত্ৰৰ ওপৰত বান নিৰ্মাণৰ ফলত অসমত কিদৰে প্ৰভাৱ পৰিব সেই বিষয়ে এতিয়াই ক'ব পৰা নাযায় বুলি প্ৰকাশ কৰে। বিষয়টোলৈ বিশেষজ্ঞসকলৰ দুই ধৰণৰ মত আছে বুলি তেওঁ মন্তব্য কৰে। ব্ৰহ্মপুত্ৰৰ অধিকাংশ পানী অৰুণাচল প্ৰদেশ, ভূটান, বৰষুণ বা অন্য উৎসৰ পৰা অহা বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে একাংশ বিশেষজ্ঞৰ মতে বান্ধ নিৰ্মাণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানী কমিব- ৰাজ্যৰ বান সমস্যা হ্ৰাস পাব আৰু আন একাংশ বিশেষজ্ঞৰ মতে ইয়াৰ ফলত খৰালি ব্ৰহ্মপুত্ৰৰ পানী শুকাই যাব আৰু ৰাজ্যখনৰ জৈব বৈচিত্ৰ্য প্ৰভাৱিত হ'ব।

ooooo

ন্যায়াধীশ আশুতোষ কুমাৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ আশুতোষ কুমাৰ ইয়াৰ পূৰ্বে পাটনা উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী মুখ্য ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, অধিবক্তা আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী ন্যায়াধীশ লানুচুংকুম জমিৰক কলকাতা উচ্চ ন্যায়ালয়লৈ আৰু ন্যায়াধীশ সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়লৈ বদলি কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ ছিপাঝাৰৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত  কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে এখন নৱনিৰ্মিত দলং, এটা নামঘৰ, এটা পশুপালন গৃহও উদ্বোধন কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এখন ৰাজহুৱা সভাক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১৯৮৩ চনত ২৩ গৰাকী লোকৰ মৃত্যুৰ বিনিময়ত গৰুখুঁটি ৰক্ষাৰ কাহিনী সোঁৱৰণ কৰে। ২০২১ চনত মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ এমাহ নৌহওঁতেই গৰুখুঁটি ভ্ৰমণ কৰি ড০ শৰ্মাই গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ পৰিকল্পনা কৰা বুলি ভাষণত উল্লেখ কৰে। গৰুখুঁটিৰ সফল উচ্ছেদে চৰকাৰক সাহসী কৰি তোলা বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়। গৰুখুঁটিৰ পাছতে বৰছলা, লামডিং, বটদ্ৰৱা, চাপৰ আৰু পাইকানতো চৰকাৰে উচ্ছেদ চলায়। তেতিয়াৰে পৰা অব্যাহত থকা উচ্ছেদ অভিযানৰ জৰিয়তে চৰকাৰে এক লাখ ২৯ বিঘা মাটি দখলকাৰীৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে

প্ৰকাশ কৰে। এই সভাতে মুখ্যমন্ত্ৰীগৰাকীয়ে দুই-এদিনৰ ভিতৰতে উৰিয়ামঘাটতো উচ্ছেদ চলিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই গৰুখুঁটিৰ প্ৰকল্পতে ৰাজ্যৰ খিলঞ্জীয়া যুৱক-যুৱতীৰ বাবে এখন কৃষি বিজ্ঞান মহাবিদ্যালয় স্থাপনৰ লক্ষ্য লোৱা হৈছে বুলি উল্লেখ কৰে।

ooooo

অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কনাড পুৰকায়স্থৰ লগতে তিনিগৰাকী মনোনীত সদস্যই আজি ৰাজ্যসভাৰ সাংসদ হিচাপে শপতগ্ৰহণ কৰে। উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে তেওঁলোকক তেওঁলোকক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমীয়াত আৰু কনাড পুৰকায়স্থই সংস্কৃতত শপত লয়। মনোনীত সদস্য কেইগৰাকীৰ ভিতৰত ড০ মিনাক্ষী জৈন, চি সদানন্দ মাষ্টাৰ আৰু হৰ্ষবৰ্ধন শৃংলা আছে। সদনে লগতে যোৱাবাৰৰ অধিৱেশনৰ পাছৰ সময়ছোৱাত দেহাৱসান ঘটা সাত গৰাকী প্ৰাক্তন সাংসদলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে।

ooooo

স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি অসম সচিবালয়ত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ দুগৰাকী অধ্যক্ষ, কাৰিকৰী আৰু অ-কাৰিকৰী বিভাগৰ ৫৯ গৰাকী সহকাৰী অধ্যাপককে ধৰি মুঠ ৬১ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই নিযুক্তিকে ধৰি অভিযান্ত্ৰিক তথা কাৰিকৰী শিক্ষানুষ্ঠানৰ বাবে ২০২১ৰ পৰা বৰ্তমানলৈকে এহেজাৰ ২১০ গৰাকী প্ৰাৰ্থীক মেধাভিত্তিত নিযুক্তি প্ৰদান কৰা হৈছে।

ooooo

চিৰাং জিলা আৰক্ষীয়ে যোৱা শনিবাৰৰ পৰা অভিযান চলাই জিলাখনত ৭ জন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিছে। লোককেইজনৰ পৰা কেইবাখনো বাহন, মাইক্ৰ' এ টি এম মেচিন, ভালেসংখ্যক এটিএম কাৰ্ড, ছিম কাৰ্ড আদি জব্দ কৰা হৈছে। এই লোককেইজনে দীৰ্ঘদিন ধৰি চাইবাৰ অপৰাধত লিপ্ত হৈ জনসাধাৰণক প্ৰৱঞ্চনা কৰি আহিছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

কামৰূপ জিলাৰ শৰাইঘাট মহাবিদ্যালয়ৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি 'শৰাইঘাট অতীত আৰু বৰ্তমান' শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বক্তৃতানুষ্ঠানত কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আয়ুক্তগৰাকীয়ে তেওঁৰ ভাষণত উত্তৰ গুৱাহাটী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত সিঁচৰতি হৈ থকা ঐতিহাসিক সমলৰ দৰে আন কোনো ঠাইতে পোৱা নাযায় বুলি মন্তব্য কৰে। এই সমলসমূহ অধ্যয়নত অধিক গুৰুত্ব প্ৰদান কৰিব লাগে বুলিও আয়ুক্তগৰাকীয়ে মত প্ৰকাশ কৰে।

ooooo

সমাপ্ত